# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ অধীনৰ ১৪৭ নম্বৰ ৰীগত বিগত কেইবাদিনো ধৰি হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ নিগমে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতা সম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে কয়, যে অ' এন জি চিৰ বিষয়াসকল আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে। অঞ্চলটোত জুই ৰোধ কৰা আৰু পৰিৱেশ শীতল কৰি ৰখাৰ বাবে অহৰহ পাম্পেৰে পানীৰ এটা আৱৰণ সৃষ্টি কৰা হৈছে। ৰীগটোৰ কাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক স্থানান্তৰিত কৰা হৈছে আৰু তেওঁলোকক সকলো ধৰণৰ সাহায্য প্ৰদান কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰীগত হোৱা গেছ নিৰ্গমন থলীত যোৱা নিশা উপস্থিত হৈ আশ্ৰয় শিবিৰত থকা লোকসকলক সাক্ষাৎ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে তেলৰ ৰীগটো পৰিচালনা কৰা ব্যক্তিগত খণ্ডৰ এছ কে পেট্ৰ' নামৰ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে তদন্ত কৰা হ'ব বুলি জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰে এই বিষয়টোত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰয়োজন সাপেক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এই সন্দৰ্ভত আলোচনা কৰা হ'ব। তৈল প্ৰতিষ্ঠানটোৰ অধ্যক্ষৰ সৈতেও মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিব বুলি উল্লেখ কৰে।

০০০০০

ডিব্ৰুগড়ৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি অহা ২০ ছেপ্তেম্বৰত ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ প্ৰভাতী বিমান সেৱা আৰম্ভ হ'ব। সেইদিনাই যোৰহাটৰ পৰা নতুন দিল্লীলৈ আন এখন নতুন বিমানৰ উৰণো আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শেহতীয়া ডিব্ৰুগড় ভ্ৰমণ সন্দৰ্ভত এখন সংবাদ মেলত আজি এই কথা প্ৰকাশ কৰে। ইণ্ডিগ' বিমান সংস্থাৰ সৈতে হোৱা বৈঠক মৰ্মে এই সেৱা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তদুপৰি মৰাণ আৰু মটক পৰিষদত এতিয়াৰে পৰা কেৱল মৰাণ আৰু মটক জনগোষ্ঠীৰ লোকেহে ভোটদান কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে আজি ইয়াৰ আগেয়ে ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ত দুলীয়াজান বিধানসভা সমষ্টিত ৰূপায়িত আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। দুলীয়াজান সমষ্টিত লোকনিৰ্মাণ পথ আৰু গৃহ, জলসম্পদ, জলসিঞ্চন আৰু শক্তি বিভাগৰ উদ্যোগত ৮৭টা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰ কাম চলি আছে। বৈঠকত মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ বিভিন্ন সমস্যা তথা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ সংশ্লিষ্ট বিভাগসমূহক দ্ৰুতগতিত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

গোৱালপাৰা জিলাৰ বালিজানা ৰাজহ চক্ৰ অন্তৰ্গত হাচিলাবিলত প্ৰশাসনে আজি দ্বিতীয় দিনা দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায়। দীৰ্ঘদিনৰ পৰা হাচিলাবিলৰ ভূমিত ৬৬৭টা পৰিয়ালে অবৈধভাৱে বসবাস কৰি আহিছিল। উচ্ছেদ অভিযানৰ পূৰ্বে একাংশ পৰিয়ালে স্ব-ইচ্ছাই সেই স্থান ত্যাগ কৰে। প্ৰশাসনে কালি সেই স্থানত অৱশিষ্ট পৰিয়ালৰ প্ৰায় ৬০ শতাংশ উচ্ছেদ কৰাৰ পাছত বাকী পৰিয়ালসমূহৰ আজি উচ্ছেদ কৰে। উচ্ছেদস্থলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নহয় তাৰ বাবে আৰক্ষী বাহিনী মোতায়েন কৰা হৈছে। বিধায়ক ৰাজেদ আলী চৌধুৰী নেতৃত্বত কংগ্ৰেছৰ ৮ জনীয়া এটা দলে উচ্ছেদিত স্থানলৈ যাব বিচাৰে যদিও প্ৰশাসনৰ ফালৰ পৰা বাধা দিয়াত বাক-বিতণ্ডা সৃষ্টি হয়। পাছত বিধায়কৰ দলটোৱে জিলা আয়ুক্তক সাক্ষাৎ কৰি এই উচ্ছেদ অভিযান বন্ধ কৰাৰ লগতে উচ্ছেদিত লোকসকলক পুনৰ সংস্থাপনৰ দাবীৰে ৰাজ্যপাল আৰু ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০

বজালী জিলাৰ পৰা ২০২৪-২৫ বৰ্ষত শিল্পী পেঞ্চন আৰু বাৰ্ষিক শিল্পী সন্মান লাভ কৰা ১১গৰাকী প্ৰবীণ শিল্পীক আজি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মানপত্ৰৰে সন্মানিত কৰে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিন উপলক্ষে আজি আয়োজিত অনুষ্ঠানত এই প্ৰবীণ শিল্পীসকলক সন্মানিত কৰা হয়। শিল্পীসকলৰ ভিতৰত আছে কাৰিকৰী শিল্পী আঘোণা হালৈ, ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰযোজক, নাট্যকাৰ চন্দ্ৰকান্ত মুছাহাৰী, নৃত্য পৰিচালক দিলীপ ৰয়, শিল্পী কুশল চন্দ্ৰ দাস, গোপেশ তালুকদাৰ, কুমুদ কলিতা, নৃপেন ৰয়, নৰেন ৰয়, অক্ষয় মেধি, অচ্যুৎ বৈশ্য আৰু দেবেশ্বৰ ডেকা। ইয়াৰে লোকগীতৰ শিল্পী দেবেশ্বৰ ডেকাক মৰণোত্তৰভাৱে সন্মানিত কৰা হয়।

০০০০০

আয়ুষ মন্ত্ৰালয়ৰ অধীনৰ মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ সহযোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উদ্যোগত আজি নগাঁৱত এখন যোগ কৰ্মশালা অনুষ্ঠিত হয়। নগাঁও চহৰৰ কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰা অনুষ্ঠানত জিলাখনৰ নৱনিযুক্ত আয়ুক্ত দেৱাশীষ শৰ্মাই উদ্বোধনী ভাষণ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ শলাগ লয়। অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ অশোক কুমাৰ বৰাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত